# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 08-02-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**:::::::::::::::::::::::::::::::**

১। প্ৰায় ৩ দশকৰ পাছত দিল্লীত বিজেপি, চৰকাৰ গঠনৰ দিশে অগ্ৰসৰ। আপৰ নেতা অৰবিন্দ কেজৰিৱালৰ পৰাজয় স্বীকাৰ।

২। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাৰ্ষিক অধিবেশনৰ তৃতীয় দিনা সাংস্কৃতিক শোভাযাত্ৰা আৰু মুকলি সভাৰ আয়োজন।

৩। অসম আৰক্ষীৰ মাদক দ্ৰব্য বিৰোধী অভিযানত দক্ষিণ শালমাৰা আৰু মানকাচৰ জিলাত বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ সৰবৰাহকাৰী গ্ৰেপ্তাৰ।

৪। শোণিতপুৰ, গোৱালপাৰা, বঙাইগাওঁ, কামৰূপ মেট্ৰোকে ধৰি বিভিন্ন জিলাত খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ প্ৰতিযোগিতা আৰম্ভ।

*আৰু*

৫। লন বল পেয়াৰ শিতানত নয়নমণি শইকীয়া আৰু বনগীতা হাজৰিকাৰ জয়েৰে ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমৰ তৃতীয়টো সোণৰ পদক অৰ্জন।

ooooo

প্ৰায় ৩ দশকৰ পাছত দিল্লীত বিজেপি, চৰকাৰ গঠনৰ দিশে অগ্ৰসৰ হৈছে। আজি বিধানসভা নিৰ্বাচনৰ ভোটগণনাত দিল্লীত ১০ বছৰ ধৰি ক্ষমতাত থকা আম আদমী পাৰ্টীক পৰাস্ত কৰি বিজেপিয়ে চৰকাৰ গঠন কৰাটো নিশ্চিত হৈছে।

আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি ভোটগণনাত সৰ্বমুঠ ৭০ খন আসনৰ ভিতৰত বিজেপিয়ে এতিয়ালৈকে ৪৭ খন আসনত জয় সাব্যস্ত কৰিছে আৰু আম আদমী পাৰ্টীয়ে ২১ খন আসন দখল কৰিবলৈ সমৰ্থ হৈছে। কংগ্ৰেছে তৃতীয়বাৰৰ কাৰণে এখনো আসন দখল নকৰাকৈ শোচনীয় পৰাজয়ৰ সন্মুখীন হৈছে।

নতুন দিল্লী সমষ্টিত আপৰ প্ৰধান নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আৰু জংপুৰা সমষ্টিত আপৰ নেতা তথা প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনীষ ছিছডিয়া পৰাজিত হৈছে। অৰবিন্দ কেজৰিৱাল নিকতটম প্ৰতিদ্বন্দ্বী বিজেপিৰ পৰভেছ বাৰ্মাৰ বিৰুদ্ধে পৰাজিত হয়। বিজেপিৰ তৰৱিন্দৰ সিং মাৰোৱাহে জংপুৰা সমষ্টিত, কপিল মিশ্ৰ কৰৱালনগৰ সমষ্টিত, মনজিনদৰ সিং চিৰ্চা ৰজৌৰী গাৰ্দেন সমষ্টি, অৰবিন্দৰ সিং লাভলী গান্ধী নগৰ সমষ্টি, শিখা ৰয় গ্ৰেটাৰ কৈলাশত আৰু হৰিশ খুৰানাই মতি নগৰ সমষ্টিৰ পৰা তাৎপৰ্যপূৰ্ণ জয় সাব্যস্ত কৰিছে। একেদৰে আপৰ সোম দত্তই চদৰ বজাৰ, বীৰেন্দ্ৰৰ সিং কৰিয়া দেলহী চাউনীৰ পৰা, কুলদ্বীপ কুমাৰ কন্দ্‌লি সমষ্টি, জাৰ্নেল সিং

তিলকনগৰ সমষ্টি, পুনৰদ্বীপ সিং চাওনী চান্দনী চ'ক আৰু গোপাল ৰয়ে বাবৰপুৰ সমষ্টিৰ পৰা তাৎপৰ্যপূৰ্ণ বিজয় সাব্যস্ত কৰিছে। দলটোৰ সন্মান ৰক্ষা কৰি কালকাজী সমষ্টিৰ মুখ্য মন্ত্ৰী আতিশী মাৰ্লেনাই জয়লাভ কৰে।

দিল্লী বিধানসভা নিৰ্বাচনৰ লগতে উত্তৰ প্ৰদেশ আৰু তামিলনাডুৰ এটাকৈ বিধান সভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনাও চলি আছে। উত্তৰ প্ৰদেশৰ মিল্কীপুৰ বিধানসভা সমষ্টিত বিজেপিৰ চন্দ্ৰভানু পাচোৱানে জয় সাব্যস্ত কৰিছে। তামিলনাডুৰ এৰ'ডে পূব বিধানসভা সমষ্টিত ডি এম কেৰ চন্দ্ৰিকাকুমাৰ ভি চি নিকটতম প্ৰতিদ্বন্দিতকৈ প্ৰায় ৬০ হাজাৰ ভোটত আগবাঢ়ি আছে।

০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনৰ আজি তৃতীয় দিনাও যোৰহাটৰ ম'হবন্ধা এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰ লোকে লোকাৰণ্য হৈ পৰে। আজি পুৱা সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই সংঘৰ মূল পতাকা উত্তোলন কৰে। ইয়াৰ লগতে ৩৫ খন জিলা শাখাৰ পতাকাও উত্তোলন কৰা হয়। ইয়াৰ পাছতে ভাগৱত ভ্ৰমণ আৰু বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অসমৰ জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি প্ৰদৰ্শন কৰাৰ লগতে হৰিনামৰ ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰা হয়। এই শোভাযাত্ৰাত বিত্ত মন্ত্ৰী অজন্তা নেওগৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সহস্ৰাধিক ভকত বৈষ্ণৱে অংশগ্ৰহণ কৰে। এই শোভাযাত্ৰাত প্ৰায় ১০ কিলোমিটাৰ পথ অতিক্ৰম কৰা হয়। ইয়াৰ পাছতে পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থাকি পশুপালন মন্ত্ৰী অতুল বৰাই এনেদৰে কয়—-

**বাইট (অতুল বৰা)**

০০০০০

মানকাচৰৰ জোৰদাংগা দ্বিতীয় খণ্ডত মানকাচৰ আৰক্ষীৰ নেতৃত্বত চলোৱা এটা অভিযানত বুজন পৰিমাণৰ নিচাযুক্ত সামগ্ৰীৰ সৈতে ৩ জন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰতাপ দাসৰ নেতৃত্বত মানকাচৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক বৰগঞাৰী আৰু উপ পৰিদৰ্শক নয়নজ্যোতি গগৈৰ সহযোগত গোপন সূত্ৰৰ পম খেদি এই অভিযান চলোৱা হয়। ইফালে জিলাখনৰ পুবেৰ গাঁৱত অতিৰিক্ত আৰক্ষী অধীক্ষকজনৰ উদ্যোগত আৰু উপ পৰিদৰ্শক চনুদেৱ বৰ্মনৰ নেতৃত্বত চলোৱা অন্য এটা অভিযানত বুজন পৰিমাণৰ মাদক দ্ৰব্য আৰু ৩ টা ফোনসহ তিনিজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। একেদৰে দক্ষিণ শালমাৰাৰ ধেনাৰকুটিত দক্ষিণ শালমাৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জে এছ খুবঙৰ নেতৃত্বত চলোৱা অন্য এটা অভিযানত মাদক দ্ৰব্যসহ অন্য দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়।

০০০০০

খেল মহাৰণ দ্বিতীয় পৰ্যায়ত শোণিতপুৰ জিলা পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ আজি তেজপুৰ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আৰম্ভ হয়। তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই এই প্ৰতিযোগিতাৰ আনুষ্ঠানিক উদ্বোধন কৰে। এই অনুষ্ঠানত জিলা আয়ুক্ত অংকুৰ ভৰালীও উপস্থিত থাকে। জিলা আয়ুক্তগৰাকীয়ে ভাষণ প্ৰসংগত কয়, যে খেল মহাৰণৰ মঞ্চৰ জৰিয়তে অসম চৰকাৰে স্থানীয় প্ৰতিভাসম্পন্ন খেলুৱৈসকলক সুযোগ দিব বিচাৰিছে। তেওঁ গাঁও পঞ্চায়ত আৰু বিধানসভা সমষ্টি স্তৰৰ খেলসমূহ সফলভাৱে সম্পন্ন হোৱা বাবে আয়োজকসকলক প্ৰশংসা কৰে। উদ্বোধনী অনুষ্ঠানত অসমৰ প্ৰথম মহিলা নাৱিক তথা ৱিণ্ডছাৰ্ফিং আৰু কাইট ব'ৰ্ডিঙৰ পদকবিজয়ী নিশামণি বৰা আৰু আন্তঃৰাষ্ট্ৰীয় লনবল খেলুৱৈ তানিয়া চৌধুৰী উপস্থিত

থাকে। আজি আৰম্ভ হোৱা এই প্ৰতিযোগিতা অহা ১০ ফেব্ৰুৱাৰীত সামৰণি পৰিব। এইবাৰৰ প্ৰতিযোগিতাত জিলাখনৰ প্ৰায় এহেজাৰ ২০০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণৰ সম্ভাৱনা আছে।

গোৱালপাৰা জিলাতো আজি খেল মহাৰণ দ্বিতীয় পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হয়। জিলা পৰ্যায়ৰ এই প্ৰতিযোগিতা ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই শুভাৰম্ভ কৰে। গোৱালপাৰা চহৰৰ দিনেন্দ্ৰ নাৰায়ণ সিং ষ্টেডিয়ামত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত ভাষণ দি শ্ৰীৰাভাই এইদৰে কয়-

**বাইট (টংকেশ্বৰ ৰাভা)**

দৰং জিলাৰ ছিপাঝাৰতো আজি খেল মহাৰণ দ্বিতীয় পৰ্যায়ৰ জিলা ভিত্তিক প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছে। খেল মহাৰণত প্ৰথমবাৰৰ বাবে সংযোজিত সাঁতোৰ প্ৰতিযোগিতাত জিলাখনৰ অৰ্ধশতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত ছিপাঝাৰৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশীৰ লগতে জিলা পৰ্যায়ৰ বিষয়াসকল উপস্থিত থাকে।

অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত আয়োজিত খেল মহাৰণ দ্বিতীয় পৰ্যায়ৰ জিলাভিত্তিক প্ৰতিযোগিতাসমূহ আজি বঙাইগাঁও জিলাতো আৰম্ভ হয়। বঙাইগাঁও সমষ্টিৰ বিধায়িকা দীপ্তিময়ী চৌধুৰীয়ে প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত জিলা আয়ুক্ত নৰদীপ পাঠক, জিলা উন্নয়ন আয়ুক্ত, জিলা স্বাস্থ্য বিভাগৰ যুঁটীয়া সঞ্চালক, জিলা ক্ৰীড়া বিষয়াসকলৰ লগতে বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে বঙাইগাঁও জিলাৰ তিনিখন বিধানসভা সমষ্টিৰ ক্ৰমে বঙাইগাঁও, অভয়াপুৰী আৰু সৃজনগ্ৰামৰ পৰা প্ৰায় ৭০০ গৰাকী খেলুৱৈয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত আজি কামৰূপ মহানগৰ জিলাৰ খেল মহাৰণৰ জিলা পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰাই প্ৰতিযোগিতা উদ্বোধন কৰি কয়, যে নৱপ্ৰজন্মই একাগ্ৰতা আৰু নিষ্ঠাৰে খেল মহাৰণত ভাগ লৈ নিজৰ জিলাখনক শ্ৰেষ্ঠ হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে। অনুষ্ঠানত কামৰূপ মহানগৰৰ অন্তৰ্গত এছ এফ এছ আৰু জে এন ভি বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে বেণ্ড আৰু মাৰ্চপাষ্ট প্ৰদৰ্শন কৰে। আজিৰ অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তৰ লগতে জিলা প্ৰশাসনৰ বহুসংখ্যক বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

ooooo

অপেচাদাৰী নাট্যগোষ্ঠী মঞ্চ সৰুপেটাৰ উদ্যোগত তিনিদিনীয়াকৈ অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ নাট সমাৰোহৰ আজি দ্বিতীয় দিনা বিহাৰ আৰু পশ্চিমবংগৰ নাট্যগোষ্ঠীয়ে নাটক পৰিবেশন কৰে। কালিৰে পৰা অনুষ্ঠিত হোৱা এই নাট সমাৰোহ ভবানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে উদ্বোধন কৰে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু ভবানীপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক ডাঃ মনোৰঞ্জন দাসৰ লগতে অনান্য ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে এই সমাৰোহত উপস্থিত থাকে। অসমৰ লোকসংস্কৃতিক প্ৰতিফলিত কৰি সৰুপেটাৰ স্থানীয় শিল্পীসকলে এই সমাৰোহত শংকৰ গুৰু আমাৰে শীৰ্ষক এখন নাটক মঞ্চায়ন কৰে।

ooooo

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে আয়োজন কৰা **ঝুমইৰ বিনন্দিনী ২০২৫**ৰ মাগুলিক ভিত্তিক প্ৰশিক্ষণ তথা প্ৰদৰ্শন আজি ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত অনুষ্ঠিত হয়। ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ,

লখিমপুৰ, ধেমাজী জিলাৰ নিৰ্বাচিত ৩ হাজাৰ ৪৭১ গৰাকী ঝুমুৰ নৃত্য শিল্পীয়ে আজিৰ অনুষ্ঠানত নৃত্য প্ৰদৰ্শন কৰে। গুৱাহাটীৰ সৰুসজাইত ৮ হাজাৰ শিল্পীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অহা ২৪ ফেব্ৰুৱাৰীত চাহ জনগোষ্ঠীসকলৰ অপূৰ্ব কলাকৃষ্টিৰ নিদৰ্শন, ঝুমুৰ নৃত্য বিশ্ব অভিলেখৰ উদ্দেশ্যে পৰিবেশন কৰিব। এই উপলক্ষে প্ৰস্তুতি শিতানত আয়োজিত আজিৰ অনুষ্ঠানত অসম চৰকাৰৰ সাংস্কৃতিক মুখ্য সম্পাদক কল্যান চক্ৰৱৰ্তী, ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীকে ধৰি ভালেকেইজন উচ্চ পদস্থ বিষয়া উপস্থিত থাকে। ৰণজিৎ গগৈ, চাজেল নায়ক, দুলাল মানকিকে ধৰি বিশিষ্ট শিল্পীসকলে খনিকৰ খেলপথাৰত হাজাৰ হাজাৰ নৃত্য শিল্পীক অন্তিম অনুশীলন কৰায়।

০০০০০

বৰপেটা জিলাৰ সৰ্থেবাৰীৰ নসত্ৰত থকা কৃষ্ণগুৰু সেৱাশ্ৰমত আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে একনাম অখণ্ড পালনামৰ ধৰ্মালোচনী সভাত অংশগ্ৰহণ কৰে। আজি দুপৰীয়া সেৱাশ্ৰমখনত উপস্থিত হৈ শ্ৰীসোণোৱালে গুৰুলৈ ৰীতি অনুসাৰে শ্ৰদ্ধা জনোৱাৰ উপৰি উপাসনা গৃহত অনুষ্ঠিত প্ৰাৰ্থনাত ভাগ লয়। তাৰ পাছতে তেওঁ ধৰ্মালোচনী সভাত অংশগ্ৰহণ কৰি কয়, যে মানুহে মানুহৰ বাবে কাম কৰিব লাগে। নিষ্ঠাৰে জীৱন নিৰ্বাহ কৰিবৰ বাবে সাধনাৰ প্ৰয়োজন আছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে এজন মানুহৰ নিষ্ঠা, সততাই বৃহত্তৰ সমাজ এখনক শক্তিশালী কৰি তোলে। ইপিনে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দিল্লীবাসীয়ে বিশ্বাস আৰু আস্থাৰে গ্ৰহণ কৰা বাবে ৰাষ্ট্ৰীয় ৰাজধানীখনত বিজেপিয়ে নিৰ্বাচনত অভূতপূৰ্ব সফলতা লাভ কৰা বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীৰ মানসিক চাপ আৰু ইয়াৰ সমাধান সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ মৈথিলী হাজৰিকাই অংশগ্ৰহণ কৰিব। এই আলোচনাৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠান চলি থকা সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

০০০০০

আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ **চলন্তিকাত গুৱাহাটী মহানগৰীৰ জীৱনযাত্ৰা** শৃংখলাৰ প্ৰথমটো অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত তথাকথিত সৰু সৰু মানুহৰ জীৱন সংগ্ৰাম- তেওঁলোকৰ নিজ মুখেৰেই শুনিবলৈ পাব। অনুষ্ঠানটোৰ উপস্থাপন আৰু পৰিকল্পনা আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ধেমাজী মহাবিদ্যালয়ৰ উদ্যোগত মহাবিদ্যালয়খনৰ খেলপথাৰত আজিৰে পৰা দুদিনীয়াকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তমহাবিদ্যালয় খো খো প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। বিশ্ববিদ্যালয়খনৰ অধীনৰ ১১ খন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। ল'ৰা আৰু ছোৱালীৰ শাখাত মুঠ ১৭ টা দলে অংশগ্ৰহণ কৰিছে। ধেমাজী মহাবিদ্যালয় খেলপথাৰত আজি অনুষ্ঠিত উদ্বোধনী সভাত মহাবিদ্যালয়খনৰ অধ্যক্ষ ডং

দীপক কুমাৰ নেওগ, ধেমাজী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু মহাবিদ্যালয়সমূহৰ পৰ্যবেক্ষকসকলকে ধৰি ভালেসংখ্যক খেলুৱৈ আৰু ক্ৰীড়াপ্ৰেমী ৰাইজ উপস্থিত থাকে।

০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত লন বল   পেয়াৰ শিতানত আজি অসমৰ নয়নমণি শইকীয়া আৰু বনগীতা হাজৰিকাৰ যুটীয়ে স্বৰ্ণ পদক অৰ্জন কৰিছে। এই জয়ৰ সৈতে এইবাৰৰ ক্ৰীড়া সমাৰোহত অসমে এতিয়ালৈকে তিনিটা সোণৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। ইয়াৰ লগতে পুৰুষৰ এশ মিটাৰ ফাইনেলত অম্লান বৰগোহাইয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। একেদৰে টাইকোৱাণ্ডোৰ গ্ৰুপ পমচি শিতানত অসমৰ মৰ্ণিতা আচাৰ্য, বেনলা কেম্পৰায় আৰু পঞ্চমী দাসৰ দলটোৱে ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

০০০০০

গুৱাহাটীৰ উজানবজাৰ নিবাসী, সমাজসেৱিকা অৰুণাময়ী বিষয়াৰ আজি পুৱা হৃদৰোগজনিত ৰোগত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৯ বছৰ।

উল্লেখযোগ্য যে প্ৰয়াত অৰুণাময়ী বিষয়া গীতিকাৰ, সমাজসেৱক প্ৰয়াত ক্ষীৰদাকান্ত বিষয়াৰ সহধৰ্মিনী আছিল। তেওঁৰ বিয়োগত গুৱাহাটী বিহু সন্মিলনীকে ধৰি স্থানীয় বিভিন্ন সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত